# LATE HEMCHANDRA GOGOI MEMORIAL BOOK FAIR

ORGANISED BY

SADIYA COLLEGE CENTRAL LIBRARY



Sadiya College Central Library organised a book fair from 21st August to 24th August, 2023, dedicated to Late Hemchandra Gogoi, a prominent personality in the field of art and sculpture, hailing from Sadiya, whom we lost at a very young age (born on 9th February, 1995 and died on 19th June, 2023). To honour his contribution in the field of art and culture and to cultivate the students' reading habits, the central library organized Late Hemchandra Gogoi Memorial Book Fair not only for the students and faculties but also for general people of Sadiya Sub-division. The book fair was inaugurated by Mr. Manashjyoti Nath, SDO, Sadiya Sub-division in the presence of the Principal Dr. Bhupen Chutia, Librarian Mrs. Manjula Baruah, Sadiya College and HOD of various department, faculties, students and renowned people of Sadiya Sub-division.







# শদিয়া কলেজত হেমচন্দ্ৰ গগৈৰ সোঁৱৰণত আৰ্ট গেলাৰী

শদিয়া ঃ নিজা প্ৰতিবেদক, ২১আগষ্ট ঃ আজি শদিয়া মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ উদ্যোগত মহাবিদ্যালয়খনৰ প্ৰাংগণত অসমৰ এগৰাকী উদীয়মান তথা সম্ভাৱনাপূৰ্ণ চিত্ৰ, ভাস্কৰ্য শিল্পী হেমচন্দ্ৰ গগৈৰ সোঁৱৰণত গ্ৰন্থমেলা আৰু স্থাপন কৰা আৰ্ট গেলাৰী মুকলি কৰা হয়। উল্লেখযোগ্য যে শদিয়া মহকুমাৰ ডিক্ৰুং গাঁৱৰ সুসন্তান তথা গুৱাহাটীস্থিত চৰকাৰী চাৰু আৰু কাৰু কলা মহাবিদ্যালয়ৰ পৰা ভাস্কৰ্য বিভাগত স্নাতক ডিগ্ৰীধাৰী হেমচন্দ্ৰ গগৈৰ চলিত বৰ্ষৰ যোৱা ১৯জুনত মৃত্যু ঘটিছিল। সদ্যপ্ৰয়াত চিত্ৰকৰগৰাকীৰ চিত্ৰ আৰু ভাস্কৰ্য শিল্পসমূহ সংৰক্ষণ কৰি অনাগত দিনত অধিক প্ৰচাৰ কৰা আৰু নৱপ্ৰজন্মই সেই শিল্প কলাসমূহৰ দ্বাৰা যাতে অনুপ্ৰাণিত হয়, শিক্ষাৰ্থীসকলৰ মাজত কিতাপ পঢ়াৰ এক সুন্দৰ অভ্যাস গঢ় দিয়াৰ উদ্দেশ্যাক আগত ৰাখি শদিয়া মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ বিভাগে এই পদক্ষেপ গ্ৰহণ কৰা বুলি জনায় গ্ৰন্থাগাৰিকা মঞ্জুলা বৰুৱাই। আজি শদিয়া মহাবিদ্যালয়ৰ প্ৰাংগণত এক অনুষ্ঠানত চিত্ৰশিল্পী হেমচন্দ্ৰ গগৈৰ সোঁৱৰণী গ্ৰন্থমেলা মুকলি কৰে শদিয়াৰ মহকুমাধিপতি মানসজ্যোতি নাথে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত স্থাপন কৰা আৰ্ট গেলাৰী মুকলি কৰে প্ৰয়াত চিত্ৰশিল্পীগৰাকীৰ পিতৃ হিতেশ্বৰ গগৈ আৰু মাতৃ লেহুকী গগৈয়ে। উল্লেখযোগ্য যে উক্ত আৰ্ট গেলাৰীত প্ৰয়াত শিল্পীগৰাকীৰ হাতৰ পৰশত প্ৰাণ পাই উঠা ভিন্ন পটভূমিৰ প্ৰায় শতাধিক চিত্ৰ আৰু ভাস্কৰ্য সংৰক্ষণ কৰিছে শদিয়া মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰে। উল্লেখযোগ্য যে শদিয়া মহাবিদ্যালয়ৰ প্ৰাংগণত আজিৰ পৰা আৰম্ভ হোৱা গ্ৰন্থমেলাখন অহা ২৪আগষ্টত সমাপ্ত হ'ব। কাৰ্যসূচীৰ লগত সংগতি ৰাখি শদিয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এখন সভাত প্ৰথমে প্ৰয়াত শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই। শিল্পীগৰাকীৰ শতাধিক অনুৰাগী, অধ্যাপক-অধ্যাপিকা আৰু মহাবিদ্যালয়খনৰ দুই শতাধিক শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত হেমচন্দ্ৰ গগৈৰ জীৱন তথা সৃষ্টিৰাজিৰ আধাৰত মঞ্জুলা বৰুৱাৰ দ্বাৰা ৰচিত এটি কবিতাৰ ভিডিঅ' প্ৰদৰ্শিত হয়। অধ্যক্ষ ড° ভূপেন চুতীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা আৰু শলাগৰ শৰাই আগবঢ়ায় গ্ৰন্থাগাৰিকা মঞ্জুলা বৰুৱা আৰু আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মনমী কলিতাই। মহকুমাধিপতি মানসজ্যোতি নাথ, অসম চৰকাৰৰ প্ৰণাম আয়োগৰ আয়ুক্ত সচিব যোগৱালা বুঢ়াগোহাঁইি, চপাখোৱা পৌৰসভাৰ পৌৰপতি বিচন্দ্ৰাৱতী সোণোৱাল, চিত্ৰশিল্পী গৰাকীৰ পিতৃ হিতেশ্বৰ গগৈ ইত্যাদিৰ লগতে স্থানীয় বিভিন্ন জাতীয়-জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিৰূপে অংশগ্ৰহণ কৰে। সভাতে প্ৰয়াত চিত্ৰশিল্পীগৰাকীৰ পিতৃ-মাতৃ তথা পৰিয়ালবৰ্গলৈ কৃতজ্ঞতা জনাই শদিয়া মহাবিদ্যালয়ৰ পৰিয়াল, ফিল'বাৰী মইনা পাৰিজাত, চিত্ৰম কলা কেন্দ্ৰ আৰু শুভাকাংক্ষীসকলে সম্বৰ্ধনা জনায়।

